**2018**

**ASSAMESE**

**ASM : 3.04 (A)**

**INTRODUCTION TO COMPARATIVE LITERATURE**

Full Marks : 80

Time : 3 Hours

***The figures in the margin indicates full marks for the questions :***

1. উত্তৰ লিখা ঃ 1x10=10

ক) ভাৰতবৰ্ষৰ কোনখন বিশ্ববিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে 'তুলনামূলক সাহিত্য'ৰ সুকীয়া বিভাগ খোলা হয়?

খ) 'World Literature and Tagore' গ্ৰন্থখন কোনে লিখা?

গ) 'গণতন্ত্ৰ কি জন্ম'ৰ কবি কোন?

ঘ) ভাৰতীয় প্ৰগতিশীল লেখক সংঘ কোন চনত স্থাপন হয়?

ঙ) মূল ৰচনাক যদি সৃজন (Creation) আখ্যা দিয়া হয়, তেন্তে অনুবাদক পুনঃসৃজন (Recration) বুলিব পাৰি নে?

চ) ন জানে নক্ষত্ৰো সে কৌন
নিমন্ত্ৰণ দেতা মুঝকো মৌন?
উল্লিখিত পংক্তিশাৰী কোনটো কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে?

ছ) প্ৰেমচন্দ কোনখন কাকতৰ সৈতে জড়িত আছিল?

জ) 'পথেৰ পাঁচালী' উপন্যাসখন মুঠ কেইটা অধ্যায়ত বিভক্ত?

ঝ) 'বনলতা সেন' মূলতঃ কিমানটা কবিতাৰ সমষ্টি?

ঞ) ইন্দ্ৰনাথ চৌধুৰীয়ে ৰচনা কৰা তুলনামূলক সাহিত্য সম্পৰ্কীয় যিকোনো এখন গ্ৰন্থৰ নাম লিখা।

2. **উত্তৰ লিখা ঃ** 2x5=10

ক) কোনে কোন চনত 'তুলনামূলক সাহিত্যক স্বতন্ত্র চিন্তাৰ বাহক' আখ্যা দিছিল ?

খ) তুলনামূলক সাহিত্যৰ অন্তৰ্গত যিকোনো দুটা সম্প্রদায়ৰ নাম উল্লেখ কৰা।

গ) বুদ্ধদেৱ বসুৰ দ্বাৰা ৰচিত যিকোনো দুটা কবিতাৰ নাম লিখা।

ঘ) কোনখন গ্ৰন্থৰ বাবে কোন চনত ৰবীন্দ্ৰনাথ ঠাকুৰে নবেল বঁটা লাভ কৰিছিল ?

ঙ) 'গোদান' উপন্যাসত প্ৰতিফলিত হোৱা যিকোনো দুটা সামাজিক সমস্যা উল্লেখ কৰা।

3. **চমুটোকা লিখা (যিকোনো দুটা) ঃ** 2x5=10

ক) প্ৰেমচন্দৰ উপন্যাসত কৃষক জীৱনৰ কথকতা

খ) ইন্দিৰ ঠাকুৰণ

গ) বল্লালী বালাই

ঘ) তুলনামূলক সাহিত্যৰ বিশেষত্ব

4. তুলনামূলক সাহিত্যৰ সংজ্ঞা নিৰূপণ কৰি ইয়াৰ অধ্যয়নৰ আৱশ্যকতা সম্পৰ্কে চমুকৈ বুজাই লিখা। 7

*অথবা*

'আত্মসৰ্বস্ব' গল্পটোৰ কাহিনীভাগ তোমাৰ নিজৰ ভাষাত লিখি, গল্পটোৰ নামকৰণৰ সাৰ্থকতা নিৰূপণ কৰা।

5. 'সগৰদোলা' কবিতাটিত প্ৰকৃতিৰ সংস্পৰ্শত প্ৰেমৰমহত্ত্ব কেনেদৰে প্ৰকাশিত হৈছে বুজাই লিখা। 7

*অথবা*

'তুলনামূলক সাহিত্য আৰু অনুবাদ প্ৰসংগ' - এই বিষয়ত এটি চমু আলোচনা যুগুত কৰা। 7

**তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ-**

6. তুলনামূলক সাহিত্যৰ গতি ত্বৰান্বিত হোৱাৰ যিকোনো চাৰিটা কাৰণ বুজাই লিখা। 12



7. "ৰমন্যাসিক ভাৱ-চিন্তা, অনুভূতিৰ সূক্ষ্মতা, প্ৰকাশভংগীৰ সৰলতা আৰু গীতি ধৰ্মিতা, কল্পনাৰ অনন্য সাধাৰণ ৰূপ আদিয়ে 'মৌন নিমন্ত্ৰণ' কবিতাটিক ৰহস্যবাদী কবিতাৰ শাৰীলৈ উন্নীত কৰিছে।"— কথাষাৰৰ সৈতে তুমি একমত নে ? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দাঙি ধৰা। লগতে সমধৰ্মী অসমীয়া কবিতা এটিৰ সৈতে 'মৌন নিমন্ত্ৰণ'ক তুলনা কৰি দেখুওৱা। 7+5=12

8. "ৰোমাণ্টিক চেতনা, প্ৰাকৃতিক চেতনা আৰু ঐতিহাসিক চেতনাই 'বনলতা সেন' কবিতাটিক সমৃদ্ধ কৰিছে", বোলা কথাষাৰৰ আধাৰত 'বনলতা সেন'ত উল্লিখিত তিনিটা দিশ কেনেদৰে পৰিস্ফুট হৈছে বুজাই লিখা। অসমীয়া সাহিত্যত 'বনলতা সেন'ৰ সমধৰ্মী কবিতা পোৱা যায় নে? চমুকৈ বুজাই লিখা। 8+4=12

9. 'উসনে কহা থা' গল্পত প্ৰাপ্ত লহনা সিং চৰিত্ৰটো বিশ্লেষণ কৰি দেখুওৱা আৰু সমধৰ্মী অসমীয়া গল্পৰ চৰিত্ৰ এটাৰ সৈতে তুলনা আগবঢ়োৱা।

10. 'পথেৰ পাঁচালী' উপন্যাসত প্ৰাপ্ত মূল শিশু চৰিত্ৰ দুটা বিশ্লেষণ কৰা আৰু সমধৰ্মী অসমীয়া উপন্যাসত প্ৰাপ্ত অনুৰূপ চৰিত্ৰ এটিৰ সৈতে তুলনা কৰি দেখুওৱা। 8+4=12

***